**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-12-2024
**Time :** 0705 Hrs

***Assamese Morning Bulletin***
***Headlines***

**-----------------------**

১। প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ ১০০ সংখ্যক জয়ন্তী উপলক্ষে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মধ্য প্ৰদেশ ভ্ৰমণ কৰি খাজুৰাহোত একাধিক উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

২। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে পাঁচখন ৰাজ্যত নতুন ৰাজ্যপাল নিযুক্তি দিছে।

৩। কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত ১০ হাজাৰৰো অধিক নতুনকৈ স্থাপন কৰা বহুমুখী প্ৰাথমিক কৃষি সমবায় সমিতি তথা দুগ্ধ আৰু মীন সমবায় ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব।

৪। বৰদিন উপলক্ষে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দেশবাসীক ওলগ জনাইছে।

*আৰু*

৫। ভাৰতে কালি ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে আই চি চি মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেলত ১১৫ ৰাণৰ ব্যৱধানত জয়লাভ কৰিছে।

০০০০০০

প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ ১০০ সংখ্যক জয়ন্তী উপলক্ষে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মধ্য প্ৰদেশ ভ্ৰমণ কৰি খাজুৰাহোত একাধিক উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে ৰাষ্ট্ৰীয় দৃষ্টিভংগী পৰিকল্পনাৰ অধীনত দেশৰ প্ৰথমটো আন্তঃসংযোগ প্ৰকল্প কেন-বেট্ৱা নদী সংযোগী ৰাষ্ট্ৰীয় প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পৰ জৰিয়তে মধ্য প্ৰদেশ আৰু উত্তৰ প্ৰদেশৰ বিভিন্ন জিলালৈ জলসিঞ্চনৰ সুবিধা প্ৰদান কৰি লাখ লাখ কৃষক পৰিয়াল উপকৃত হ'ব। উল্লেখযোগ্য যে এই প্ৰকল্পৰ জৰিয়তে অঞ্চলটোত ৰাইজক খোৱাপানীৰ সুবিধা প্ৰদান কৰা হ'ব। আনহাতে, প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি এখন স্মৃতি ষ্টাম্প আৰু মুদ্ৰা মুকলি কৰিব। তেওঁ লগতে এহেজাৰ ১৫৩টা অটল গ্ৰাম সুচাছান অট্টালিকাৰ আধাৰশিলাও স্থাপন কৰিব। এই অট্টালিকাসমূহে স্থানীয় পৰ্যায়ত সুশাসনৰ দিশত আগুৱাই নিয়া গাঁও পঞ্চায়তসমূহৰ কাম-কাজ পৰিচালনাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

০০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে পাঁচখন ৰাজ্যত নতুন ৰাজ্যপাল নিযুক্তি দিছে। মিজোৰামৰ ৰাজ্যপাল ডঃ হৰি বাবু কাম্ভমপতিক ওড়িশাৰ নতুন ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে।ওডিছাৰ বৰ্তমানৰ ৰাজ্যপাল ৰঘুবৰ দাসৰ পদত্যাগৰ পিছতে ডঃ হৰি বাবু কাম্ভমপতিক এই দায়িত্ব অৰ্পণ কৰা হৈছে। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী জেনেৰেল বিজয় কুমাৰ সিঙক মিজোৰামৰ ৰাজ্যপাল হিচাপে নিযুক্তি

দিয়া হৈছে। বিহাৰৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰক কেৰালাৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। একেদৰে প্ৰাক্তন গৃহ সচিব অজয় কুমাৰ ভল্লাক মণিপুৰৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে।

oooooo

কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত ১০ হাজাৰৰো অধিক নতুনকৈ স্থাপন কৰা বহুমুখী প্ৰাথমিক কৃষি সমবায় সমিতি তথা দুগ্ধ আৰু মীন সমবায় ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। তেওঁ লগতে ৰাষ্ট্ৰীয় সমবায় সন্মিলনত নতুনকৈ স্থাপন কৰা সমবায় সমিতিসমূহৰ মাজত পঞ্জীয়ন প্ৰমাণ পত্ৰ, ৰূপে কিষাণ ক্ৰেডিট কাৰ্ড আৰু মাইক্ৰ' এ টি এম বিতৰণ কৰিব। পঞ্চায়তসমূহত সুলভ ঋণ সেৱা আৰু বিত্তীয় অন্তৰ্ভুক্তিৰ প্ৰসাৰ, গ্ৰামাঞ্চলৰ জনসাধাৰণক বিভিন্ন আঁচনিৰ উপকাৰ প্ৰদান আৰু ৰাষ্ট্ৰৰ অৰ্থনৈতিক প্ৰগতিত তেওঁলোকৰ অংশগ্ৰহণ সুনিশ্চিত কৰাৰ উদ্দেশ্যে এই বিত্তীয় আহিলাসমূহ বিকশাই তোলা হৈছে। নতুন বহুমুখী প্ৰাথমিক কৃষি সমবায় সমিতি চমুকৈ পি এ চি এছ গঠনে গ্ৰামাঞ্চলত সমবায় প্ৰতিষ্ঠানসমূহৰ বৃদ্ধিত সহায় কৰিব। এই পি এ চি এছৰ ভিতৰত আছে ঋণ সমিতি, দুগ্ধ সমবায় আৰু মীন সমবায়। এই সমবায়সমূহে কেৱল বিত্তীয় সেৱা প্ৰদান কৰাই নহয়, গ্ৰাম্য জনগোষ্ঠীসমূহক একত্ৰিত হৈ প্ৰতিযোগিতামূলকভাৱে কাম কৰাৰ এখন মঞ্চ প্ৰদান কৰিব। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগী বাস্তৱায়িত কৰিবলৈ শ্ৰীশ্বাহে অহা ৫ বছৰৰ ভিতৰত সমগ্ৰ দেশৰ প্ৰতিখন পঞ্চায়তেতে এখনকৈ সমবায় প্ৰতিষ্ঠান স্থাপন কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। নতুন গঠিত এই সমবায় সমিতিসমূহৰ কাৰ্যকৰী সামৰ্থ্য বৃদ্ধিৰ কৌশল সম্পৰ্কে আলোচনাৰ মঞ্চ হিচাপে কাম কৰিব বুলি তেওঁ উল্লেখ কৰে।

oooooo

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দেশবাসীক বৰদিনৰ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ বাৰ্তাত কয় যে যীশু খ্ৰীষ্টৰ প্ৰেম আৰু সমন্বয়ৰ বাৰ্তা, ভাতৃত্ববোধৰ মনোভাৱ আৰু সকলোৰে কল্যাণৰ বাবে তেঁও দিয়া শিক্ষাই এখন উন্নত পৃথিৱীৰ পথ পোহৰাই ৰাখিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয় যে বৰদিনে আমাক ঐক্য আৰু শান্তি গঢ়ি তুলিবলৈ অনুপ্ৰাণিত কৰে।

oooooo

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে বৰদিন উপলক্ষে দেশবাসীক ওলগ জনাইছে। উপৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাত কৈছে যে, বৰদিনে আশা, দয়া আৰু কৰুণাৰ সাৰ্বজনীন বাৰ্তা বহন কৰে। তেওঁ কয়, যে যীশুখ্ৰীষ্টৰ শিকনিসমূহ আজিও প্ৰাসংগিক হৈ আছে আৰু এই শিকনিসমূহে সকলো জনসাধাৰণৰ মাজত বুজাবুজি, সহানুভুতি আৰু পাৰস্পৰিক বিশ্বাসৰ মৌলিক গুৰুত্বৰ কথা সোঁৱৰাই দিয়ে। এই আমাৰ সংবিধানৰ একতা, ন্যায় আৰু ভাতৃত্ববোধৰ প্ৰমূল্যৰ সৈতে এই আদৰ্শৰাজিৰ সামঞ্জস্য আছে বুলিও শ্ৰীধনখড়ে প্ৰকাশ কৰে।

oooooo

নতুন দিল্লীৰ কৰ্তব্যপথত হ'বলগীয়া গণৰাজ্য দিৱসৰ কুচকাৱাজত এইবাৰ অসমৰ পৰা প্ৰতীকপট নাথাকিব। অৱশ্যে এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আয়োজিত প্ৰদৰ্শনীত বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃত অসমৰ চৰাইদেউ মৈদামে স্থান লাভ কৰিব। ইয়াৰ বাবে প্ৰাৰম্ভিক প্ৰস্তুতি অব্যাহত আছে বুলি অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে প্ৰকাশ কৰিছে। আৱৰ্তমান প্ৰক্ৰিয়া বা ৰ'টেশ্যনৰ ভিত্তিত পৰৱৰ্তী ২০২৬ বৰ্ষৰ গণৰাজ্য দিৱসৰ কুচকাৱাজত অসমৰ প্ৰতীকপট অন্তৰ্ভুক্ত হোৱাৰ সম্ভাৱনা আছে বুলি সাংস্কৃতিক বিভাগৰ সূত্ৰই প্ৰকাশ কৰে।

oooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিংতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

oooooo

ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষ, এনএইচএআইয়ে ৰাষ্ট্ৰীয় ঘাইপথৰ কাষে কাষে বিপথগামী গৰুৰ আশ্ৰয় শিবিৰ স্থাপনৰ পৰিকল্পনা কৰিছে। পথ সুৰক্ষা নিশ্চিত কৰিবলৈ আৰু পশুৰ পৰা হব পৰা দূৰ্ঘটনা হ্ৰাস কৰিবলৈ এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে এটা বিবৃতিযোগে কয় যে যাত্ৰীৰ বাবে এক সুৰক্ষিত ভ্ৰমণ অভিজ্ঞতাৰ বাতাবৰণ সৃষ্টিৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত দেখিবলৈ পোৱা গৰু আৰু অনান্য জীৱ-জন্তুৰ যত্ন আৰু পৰিচালনা নিশ্চিত কৰাই এই পাইলট প্ৰকল্পৰ প্ৰধান লক্ষ্য হব। পাইলট প্ৰকল্পৰ অধীনত স্থাপন হবলগীয়া এই আশ্ৰয় শিবিৰসমূহ ০.২১ৰ পৰা ২.২৯ হেক্টৰ মাটিকালিত কৌশলগতভাৱে স্থাপন কৰা হ'ব যাতে বিপথগামী গৰুৰ বাবে শিবিৰসমূহ নিৰাপদ স্থানলৈ পৰিগণিত হয়। এই পদক্ষেপৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথত জীৱজন্তুৰ উপস্থিতি আৰু দূৰ্ঘটনা হ্ৰাস পাব বুলি আশা কৰা হৈছে। প্ৰাথমিক পৰ্যায়ত ৩৩৪বি নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰ প্ৰদেশ আৰু হাৰিয়ানা সীমান্তৰ পৰা ৰোহনা অংশকে ধৰি বিভিন্ন ৰাষ্ট্ৰীয় ঘাইপথত এই প্ৰকল্প ৰূপায়ণ কৰা হ'ব।

oooooo

ভাৰতে কালি ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে আই চি চি মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেলত ১১৫ ৰাণৰ ব্যৱধানত জয়লাভ কৰিছে। ভাৰতীয় দলটোৱে নিৰ্ধাৰিত অভাৰত পাঁচটা উইকেট হেৰুৱাই ৩৫৮ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৰলীন দেউলে সৰ্বাধিক ১১৫, প্ৰতীকা ৰাৱালে ৭৬ আৰু স্মৃতি মান্ধানাই ৫৩ ৰাণৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজ দলটোৱে ৪৬ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৪৩ ৰাণ কৰিবলৈ সমৰ্থ হয়।

একেখন ষ্টেডিয়ামতে দেওবাৰে অনুষ্ঠিত প্ৰথমখন এদিনীয়াত ভাৰতে আলহী দলটোক ২১১ ৰানত পৰাস্ত কৰিছিল। এয়া হৈছে মহিলা এদিনীয়া ক্ৰিকেটত ভাৰতীয় দলটোৰ দ্বিতীয় বৃহৎ বিজয়। প্ৰথমে বেট ধৰি ভাৰতে নিৰ্ধাৰিত ৫০ অভাৰত ৯ টা উইকেট হেৰুৱাই ৱেষ্ট ইণ্ডিজক ৩১৪ ৰানৰ বৃহৎ লক্ষ্য নিৰ্ধাৰণ কৰিব দিয়ে। ভাৰতৰ বলাৰসকলৰ পৰাক্ৰমত তিষ্ঠিব নোৱাৰি ৱেষ্ট ইণ্ডিজে ২৬ অভাৰ ২টা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১০৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ ৰেনুকা সিং ঠাকুৰে ৫টা উইকেট দখল কৰে আৰু তেওঁক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। সহ-উইকেটকিপাৰ স্মৃতি মান্ধানাই ৯১ ৰানৰ বৰঙণি আগবঢ়ায়।

০০০০০০

আন্তৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ আই চি চিয়ে ২০২৫ বৰ্ষৰ পুৰুষৰ চেম্পিয়নছ ট্ৰফীৰ সূচী ঘোষণা কৰিছে। অহা বছৰ ১৯ ফেব্ৰুৱাৰীৰ পৰা ৯ মাৰ্চলৈ এই প্ৰতিযোগিতা পাকিস্তান আৰু নিৰপেক্ষ স্থান ইউ এ ইত অনুষ্ঠিত হ'ব। যোৱাবাৰৰ চেম্পিয়ন পাকিস্তানে ১৯৯৬ চনৰ পাছৰে পৰা এইবাৰ প্ৰথমবাৰৰ বাবে আন্তৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰিব। ভাৰতক বাংলাদেশ, নিউজিলেণ্ড আৰু পাকিস্তানৰ সৈতে প্ৰতিযোগিতাৰ গ্ৰুপ-এত স্থান দিয়া হৈছে। আফগানিস্তান, অষ্ট্ৰেলিয়া, ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকাক গ্ৰুপ-বিত অন্তৰ্ভুক্ত কৰা হৈছে। ১৯ ফেব্ৰুৱাৰীত কৰাচিত হ'বলগীয়া প্ৰতিযোগিতাৰ প্ৰথমখন খেলত পাকিস্তান - নিউজিলেণ্ডৰ সন্মুখীন হ'ব। ভাৰত ২০ ফেব্ৰুৱাৰীত ডুবাইত হবলগীয়া নিজৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ২৩ ফেব্ৰুৱাৰীত ডুবাইত ভাৰত আৰু পাকিস্তানৰ মাজত খেলখন অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত প্ৰথমখন ছেমিফাইনেল ৪ মাৰ্চত ডুবাইত আৰু দ্বিতীয়খন ছেমিফাইনেল ৫ মাৰ্চত লাহোৰত অনুষ্ঠিত হ'ব। ৯ মাৰ্চত একেটা স্থানত ফাইনেল খেলখনো অনুষ্ঠিত হ'ব। অৱশ্যে ভাৰতে চেমি ফাইনেল আৰু ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিলে এই খেল দুখন ডুবাইত অনুষ্ঠিত হ'ব।

০০০০০০

বৰদিন উপলক্ষে আজি ভাৰতীয় শ্বেয়াৰ বজাৰত বম্বে ষ্টক এক্সচেঞ্জ আৰু নেশ্যনেল ষ্টক এক্সচেঞ্জৰ সকলো বেচা কিনা বন্ধ থাকিব। বৰদিন উপলক্ষে শ্বেয়াৰ বজাৰত আজি কোনোধৰণৰ ব্যৱসায় বা নিস্পত্তি নহ'ব। শ্বেয়াৰ বজাৰত ব্ৰিটেইন, আমেৰিকা, ইউৰোপকে ধৰি বিশ্বৰ অধিকাংশ গোলকীয় বজাৰ আজি বন্ধ থাকিব।

০০০০০০

সমাপ্ত